**16 E—GEOG**

# 2016

## GEOGRAPHY

**( Theory )**

*Full Marks* : 70

*Time* : 3 hours

*The figures in the margin indicate full marks for the questions*

**1.** Find out the correct answer of the following : 1×8=8

নিম্নোক্ত প্ৰশ্নকেইটাৰ শুদ্ধ উত্তৰ বাছি উলিওৱা :

*(a)* Which Greek scholar initially mentioned about the spherical shape of the earth?

কোনগৰাকী গ্ৰীক পণ্ডিতে পোনপ্ৰথমে পৃথিৱীৰ গোলাকাৰ আকৃতিৰ বিষয়ে মত প্ৰকাশ কৰিছিল ?

*(i)* Herodotus

হেৰ'ড'টাচ

*(ii)* Aristotle

এৰিষ্ট'টল

*(iii)* Eratosthenes

ইৰাট'স্থেনিচ

*(iv)* Galileo

গেলিলিও



*( Turn Over )*

*(b)* Which planet of the solar system has maximum number of satellites?
সৌৰজগতৰ কোনটো গ্ৰহৰ উপগ্ৰহৰ সংখ্যা সৰ্বাধিক?

*(i)* Venus
শুক্ৰ

*(ii)* Mars
মঙ্গল

*(iii)* Jupiter
বৃহস্পতি

*(iv)* Saturn
শনি

*(c)* Which two layers of the earth's interior is separated by 'Mohorovicic discontinuity'?
'ম'হ'ৰ'ভিচিক বিচ্ছিন্নতা'ই পৃথক কৰা পৃথিৱীৰ অভ্যন্তৰ ভাগৰ স্তৰ দুটাৰ নাম কি কি?

*(i)* Inner core and Outer core
অন্তৰ্গৰ্ভ আৰু বহিৰ্গৰ্ভ

*(ii)* Outer core and Mantle
বহিৰ্গৰ্ভ আৰু মেন্টেল

*(iii)* Mantle and Crust
মেন্টেল আৰু ভূত্বক

*(iv)* Sial and Sima
চিয়াল আৰু চিমা





*(d)* To which group of rock does 'Gneiss' belong?
'নাইচ' কোন শ্ৰেণীৰ শিলৰ অন্তৰ্গত?

*(i)* Igneous
আগ্নেয়

*(ii)* Sedimentary
গেদীয়

*(iii)* Metamorphic
ৰূপান্তৰিত

*(iv)* None of the above
ওপৰৰ এটাও নহয়

*(e)* In which of the following regions the chemical weathering is more common than physical weathering?
নিম্নোক্ত কোনটো অঞ্চলত ভৌতিক বিচূৰ্ণীভৱনতকৈ ৰাসায়নিক বিচূৰ্ণীভৱন অধিক দেখা যায়?

*(i)* Glacier region
হিমবাহ অঞ্চল

*(ii)* Arid region
মৰু অঞ্চল

*(iii)* Limestone region
চূণশিল অঞ্চল

*(iv)* Humid region
সেমেকা অঞ্চল

(f) Which of the following gases is found in highest proportion of the atmospheric composition?
নিম্নোক্ত কোনবিধ গেছ বায়ুমণ্ডলীয় সংযুক্তিত সৰ্বাধিক পৰিমাণে পোৱা যায়?

(i) Oxygen
অক্সিজেন

(ii) Nitrogen
নাইট্ৰ'জেন

(iii) Argon
আৰ্গন

(iv) Carbon dioxide
কাৰ্বন ডাইঅক্সাইড

(g) Who among the following used the term 'Ecology' for the first time?
'ইক'ল'জি' বা 'বাস্তৱবিদ্যা' শব্দটো পোনপ্ৰথমে কোনে ব্যৱহাৰ কৰিছিল?

(i) W. M. Davis
ডব্লিউ. এম. ডেভিচ

(ii) O'Neill
অ'নেইল

(iii) Charles Darwin
চাৰ্লচ ডাৰউইন

(iv) Ernst Haeckel
আৰ্নষ্ট হেকল





(h) The southernmost point of India is
ভাৰতৰ দক্ষিণতম বিন্দুটোৰ নাম হ'ল

(i) Cape Comorin
কুমাৰিকা অন্তৰীপ

(ii) Nicobar Point
নিকোবৰ পইন্ট

(iii) Indira Point
ইন্দিৰা পইন্ট

(iv) None of the above
ওপৰৰ এটাও নহয়

**2.** Write short answer : 2×10=20
চমু উত্তৰ লিখা :

(a) What are the two major branches of Geography?
ভূগোলবিজ্ঞানৰ প্ৰধান শাখা দুটা কি কি?

(b) In which parts of a river the 'V' and 'U' shaped vallies are formed?
নদীৰ কোন কোন অংশত 'V' আৰু 'U' আকৃতিৰ উপত্যকাৰ সৃষ্টি হয়?

(c) Name two temporary elements of atmosphere.
বায়ুমণ্ডলৰ দুবিধ অস্থায়ী উপাদানৰ নাম লিখা।

(d) Mention any two factors affecting salinity of ocean water.
সমুদ্ৰ জলৰ লৱণতাত প্ৰভাৱ পেলোৱা যি কোনো দুটা কাৰকৰ উল্লেখ কৰা।

*(e)* Name any two habitats of one-horned rhinos in Assam.
অসমত অৱস্থিত এশিঙীয়া গঁড়ৰ যি কোনো দুটা বাসভূমিৰ নাম লিখা।

*(f)* Name two foreign countries sharing common boundaries with Assam.
অসমৰ সৈতে উমৈহতীয়া সীমা থকা দুখন বিদেশী ৰাষ্ট্ৰৰ নাম লিখা।

*(g)* What are the two types of monsoon wind that influence the climate of India?
ভাৰতৰ জলবায়ুত প্ৰভাৱ পেলোৱা দুই প্ৰকাৰৰ মৌচুমী বায়ুৰ নাম কি কি?

*(h)* Which two glaciers are the sources of the river Ganga and Yamuna?
গংগা আৰু যমুনা নৈৰ উৎস হিমবাহ দুটাৰ নাম কি কি?

*(i)* Suggest two important techniques for soil conservation.
ভূমি সংৰক্ষণৰ বাবে দুটা উল্লেখনীয় পদ্ধতিৰ পৰামৰ্শ আগবঢ়োৱা।

*(j)* To which type of vegetation the 'Teak' and 'Cactus' belong?
'চেগুণ' আৰু 'সাগৰফেনা বা কেক্‌টাচ' কোন কোন শ্ৰেণীৰ উদ্ভিদৰ অন্তৰ্গত?

**3.** Distinguish the following in brief (any *five*) : 3×5=15
তলত দিয়াবোৰৰ চমু পাৰ্থক্য লিখা (যি কোনো পাঁচটা) :

*(a)* Pangaea and Panthalassa
পেন্‌জিয়া আৰু পাছালাচা

*(b)* Domal eruption and Fissure eruption of volcanoes
আগ্নেয়গিৰিৰ স্তূপ উদ্গীৰণ আৰু বিদৰ উদ্গীৰণ





*(c)* Delta plain and Coastal plain
ব-দ্বীপীয় সমভূমি আৰু উপকূলীয় সমভূমি

*(d)* Stalactites and Stalagmites
ষ্টেলেক্‌টাইট আৰু ষ্টেলেগ্‌মাইট

*(e)* Spring tide and Neap tide
বাসন্তী জোৱাৰ আৰু নাটনি জোৱাৰ

*(f)* Eastern Ghats and Western Ghats mountains
পূৰ্বঘাট আৰু পশ্চিমঘাট পৰ্বতমালা

*(g)* Drought and Desertification
খৰাং আৰু মৰুকৰণ

**4.** Define the following (any *four*) : 3×4=12
তলত দিয়াবোৰৰ সংজ্ঞা লিখা (যি কোনো চাৰিটা) :

*(a)* Moraines
গ্ৰাৱ

*(b)* Convectional Rain
পৰিচলন বৃষ্টি

*(c)* Hydrological Cycle
জলচক্ৰ

*(d)* Relative Humidity
আপেক্ষিক আৰ্দ্ৰতা

*(e)* Biodiversity
জৈৱ-বৈচিত্ৰ্য

*(f)* Chipko Movement
চিপ্‌কো আন্দোলন

**5.** Divide Himalaya Mountain on the basis of its altitude and geological formation and discuss any one of them. 5

হিমালয় পৰ্বতমালাক ইয়াৰ উচ্চতা আৰু ভূতাত্ত্বিক সংৰচনাৰ ভিত্তিত বিভক্ত কৰা আৰু ইয়াৰ যি কোনো এটা ভাগৰ বিষয়ে আলোচনা কৰা।

**6.** Divide India into climatic regions as per Köppen's classification. Discuss the climatic characteristics of any one of them. 5

কোপেনৰ আৰ্হি অনুযায়ী ভাৰতবৰ্ষক বিভিন্ন জলবায়ু অঞ্চলত বিভক্ত কৰা। ইয়াৰ যি কোনো এটা ভাগৰ জলবায়ুৰ বৈশিষ্ট্যসমূহ আলোচনা কৰা।

*Or / অথবা*

What are the different classes of soil found in India? Discuss the properties and geographical distribution of any one of them. 5

ভাৰতবৰ্ষত কি কি শ্ৰেণীৰ মাটি পোৱা যায়? ইয়াৰে যি কোনো এটা শ্ৰেণীৰ গুণাগুণ আৰু ভৌগোলিক বিতৰণৰ বিষয়ে আলোচনা কৰা।

**7.** What is tsunami? How do they occur? Explain about a tsunami occurred in India and give a brief description about its damage. 5

চুনামী কি? ই কেনেকৈ সংঘটিত হয়? ভাৰতবৰ্ষত সংঘটিত হোৱা এটা চুনামীৰ বিষয়ে বৰ্ণনা কৰা আৰু ইয়াৰ দ্বাৰা হোৱা ক্ষয়-ক্ষতিৰ এক চমু বিৱৰণ দিয়া।

*Or / অথবা*

Draw a map of India and demarcate the evergreen vegetation regions. 5

ভাৰতবৰ্ষৰ এখন মানচিত্ৰ আঁকা আৰু চিৰহৰিৎ উদ্ভিদমণ্ডলৰ অঞ্চলসমূহ দেখুওৱা।

★★★